# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 05-11-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

-------------------

১। চতুৰ্দশ মৃত্যুবাৰ্ষিকীত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক স্মৰণ। ৰাজ্যজুৰি বিভিন্ন অনুষ্ঠান।

২। ড° ভূপেন হাজৰিকাৰ মানুহে মানুহৰ বাবে গীতটো সমগ্ৰ বিশ্বৰ মানৱতাৰ গীত হিচাপে স্বীকৃতি প্ৰদানৰ বাবে ৰাষ্ট্ৰসংঘক অনুৰোধ জনাবলৈ ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱ পালন। শিল্পীৰ লগতে মৃন্ময় মূৰ্তিৰ জৰিয়তে আটক ধুনীয়াকৈ শ্ৰীকৃষ্ণৰ লীলা উপস্থাপন।

৪। শিখ ধৰ্মৰ প্ৰৱৰ্তক গুৰুনানকৰ ৫৫৬ বছৰীয়া জয়ন্তী উপলক্ষে আজি দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো কাৰ্যসূচী। ***আৰু***

৫। অহা ৮ অক্টোবৰত ৰঞ্জী ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত ত্ৰিপুৰাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'বলগীয়া অসম দল ঘোষণা।

ooooo

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যজুৰি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশ্ববৰেণ্য শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত মানৱ শৃংখলৰ জৰিয়তে **মানুহে মানুহৰ বাবে** শীৰ্ষক চিৰ সেউজ গীতটি পৰিৱেশন কৰা হয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ বিভিন্ন স্থানত এই গীতটি পৰিৱেশন কৰাৰ বাবে শিল্পী, ছাত্ৰ-ছাত্ৰী তথা জনসাধাৰণক ধন্যবাদ জনায়। তেওঁ কয়, যে **মানুহে মানুহৰ বাবে** গীতটো কেৱল অসমৰেই নহয়, সমগ্ৰ মানৱ জাতিৰে সম্পদ। এই গীতটো সমগ্ৰ বিশ্বৰ মানৱতাৰ গীত হিচাপে স্বীকৃতি প্ৰদানৰ বাবে ৰাষ্ট্ৰসংঘক অনুৰোধ জনাবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। অসম আৰু অৰুণাচল প্ৰদেশৰ সম্পৰ্কক সুধাকণ্ঠই অধিক শক্তিশালী কৰি তুলিছিল বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে বৰেণ্য শিল্পীগৰাকীৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে ধলা-শদিয়াৰ ড০ ভূপেন হাজৰিকা সেতুৰ জিৰো পইণ্টত তেওঁৰ প্ৰায় ১০০ ফুট উচ্চতাৰ এটি বিশাল প্ৰতিমূৰ্তি স্থাপনৰ পৰিকল্পনা কৰা হৈছে। ইতিমধ্যে লোকনিৰ্মাণ বিভাগে এই প্ৰতিমূৰ্তি স্থাপনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে অসমৰ প্ৰতিখন চহৰত এটাকৈ পথ ড০ ভূপেন হাজৰিকাৰ নামত উৎসৰ্গা কৰা হ'ব বুলি উল্লেখ কৰে।

**বাইট (চি এম) ১**

অসম আন্দোলনৰ পটভূমিত ছহিদসকলক সুঁৱৰি সুধাকণ্ঠই ৰচনা কৰা **ছহিদ প্ৰণামো তোমাক** শীৰ্ষক গীতটিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে গুৱাহাটীৰ নৱনিৰ্মিত ছহিদ স্মাৰক ভৱনৰ উদ্বোধনৰ সৈতে সংগতি ৰাখি অহা ১০ ডিচেম্বৰত এই গীতটি সমগ্ৰ ৰাজ্যজুৰি পৰিৱেশনৰ ব্যৱস্থা কৰা হ'ব।

**বাইট (চি এম) ২**

আজিৰ অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাৰ উপৰি বিভাগটোৰ অতিৰিক্ত মুখ্য সচিব ড০ বি কল্যাণ চক্ৰৱৰ্তী, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাসকে ধৰি কেইবাগৰাকী শিল্পী তথা বিষয়ববীয়া উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ ৩৫ খন জিলা আৰু ২৭ খন সমজিলাত ড০ ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকীত আজি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰতিখন জিলা সদৰত ৫ হাজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আৰু কলা-কুশলীয়ে মানৱ শৃংখলৰ জৰিয়তে **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতটি পৰিৱেশন কৰে।

**গান (মানুহে মানুহৰ বাবে)**

**ডিব্ৰুগড়** জিলা প্ৰশাসনৰ উদ্যোগত চৌকিডিঙ্গি খেলপথাৰত সুধাকণ্ঠক স্মৰণ কৰি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। ৫ হাজাৰ লোকে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰে।

**চৰাইদেউ** জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ ৩ হাজাৰ শিল্পীয়ে আজি সুধাকণ্ঠৰ কেইবাটাও গীত পৰিৱেশন কৰে। অনুষ্ঠানত মন্ত্ৰী যোগেন মহন মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

**যোৰহাট** জিলা প্ৰশাসনেও বিশ্ববৰেণ্য শিল্পীগৰাকীৰ মৃত্যুবাৰ্ষিকী পালন কৰে। অনুষ্ঠানৰ অংশ স্বৰূপে যোৰহাট ষ্টেডিয়ামৰ লগতে তিতাবৰ, টীয়ক আৰু মৰিয়নী সমজিলাত সুকীয়া কাৰ্যসূচীৰ আয়োজন কৰা হয়।

**হোজাই**ৰ শংকৰদেৱ নগৰৰ কছাৰী ময়দানত ৫ হাজাৰতকৈ অধিক শিল্পীয়ে একেলগে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰে।

**শিৱসাগৰ** জিলা প্ৰশাসনৰ উদ্যোগত বৰ্ডিং খেলপথাৰত আয়োজিত অনুষ্ঠানত ডং ভূপেন হাজৰিকাক স্মৰণ কৰা হয়।

**বোকাখাত** সমজিলা প্ৰশাসনৰ উদ্যোগত বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বোকাখাত শিল্পী সমাজৰ শিল্পীসকলে সুধাকণ্ঠৰ ১৪টি গীত পৰিৱেশন কৰে।

**তিনিচুকীয়া** জিলাত বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজে ভূপেন্দ্ৰ সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰে। **কাৰ্বি আংলং** জিলাৰ ডিফু কাছা ষ্টেডিয়ামতো সুধাকণ্ঠৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ৫ হাজাৰ শিল্পীয়ে মানৱশৃংখলত অংশগ্ৰহণ কৰে।

**শিলচৰ**ৰ পুলিচ পেৰেড গ্ৰাউণ্ডত আয়োজিত অনুষ্ঠানত শিল্পীসকলে ড০ ভূপেন হাজৰিকাৰ কালজয়ী গীতটি অসমীয়া আৰু বাংলা দুয়োটা ভাষাতে পৰিৱেশন কৰে।

**কামৰূপ** মহানগৰ জিলা প্ৰশাসনে লতাশিল খেল পথাৰত সুধাকণ্ঠৰ সাংস্কৃতিক অৱদানক সুঁৱৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত সৰ্বধৰ্ম প্ৰাৰ্থনা, ভূপেন্দ্ৰ সংগীত, নৃত্যানুষ্ঠান আদি অনুষ্ঠিত

হয়। সদৌ অসম ছাত্ৰ সন্থাই দীঘলীপুখুৰীৰ পাৰত শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা নিবেদন কৰে। কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগৰ উদ্যোগত অটো-ৰিক্সা সমদল উলিওৱা হয়।

**ধুবুৰী** জিলাৰ ভোলানাথ মহাবিদ্যালয়ৰ খেলপথাৰত জিলা প্ৰশাসনৰ উদ্যোগত দিনৰ ১১ বজাৰ পৰা বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

**কোকৰাঝাৰত** মৃত্যুবাৰ্ষিকীত বিশ্ববৰেণ্য শিল্পীগৰাকীক স্মৰণ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বড়ো ভাষাত শিল্পীগৰাকীৰ **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰে।

**নলবাৰী** জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ গৰ্ডন খেলপথাৰত ড০ ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী পালন কৰা হয়।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱ উপলক্ষে পবিত্ৰ পৰিবেশে বিৰাজ কৰিছে। শৰৎ কালৰ পূৰ্ণিমা তিথিৰ পৰা আয়োজিত এই মহোৎসৱৰ অংশ হিচাপে শ্ৰীকৃষ্ণৰ লীলা শিল্পীৰ দ্বাৰা পৰিবেশনৰ লগতে মৃন্ময় মূৰ্তিৰ জৰিয়তে আটক ধুনীয়াকৈ এই লীলা উপস্থাপন কৰা হৈছে। সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ **মাজুলী**ৰ কেইবাখনো মঞ্চত কালিৰে পৰা অনুষ্ঠিত ৰাস মহোৎসৱ উপভোগ কৰাৰ বাবে বহু লোকৰ সমাগম হৈছে। জিলাখনৰ উত্তৰ-কমলাবাৰী সত্ৰত ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ব্ৰজাৱলী ভাষাত তিনিদিনীয়াকৈ কমলাকান্ত আতা ক্ষেত্ৰত ৰাস অনুষ্ঠিত হৈছে। আউনীআটী, চামগুৰি, বেঙেনাআটীকে ধৰি প্ৰায়বোৰ সত্ৰতে ৰাসলীলা উদযাপন কৰা হৈছে। ৰাসৰ পৰিপ্ৰেক্ষিতত কাইলৈ মাজুলীত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে।

**চৰাইদেউ** জিলাৰ মোহনগাঁও ৰজাপুখুৰী বৰনামঘৰত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। **শিৱসাগৰ** নগৰৰ ঢুলীয়াপাৰত চাৰিদিনীয়াকৈ অনুষ্ঠিত ৰাস মহোৎসৱ কালি মন্ত্ৰী যোগেন মহনে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। কালি ৰাস মহোৎসৱত কৃষ্ণৰ ৰাস লীলাৰ শিশুলীলা খণ্ড পৰিৱেশন কৰা হয়।

**নলবাৰী**ৰ শ্ৰীশ্ৰীহৰি মন্দিৰত আজিৰে পৰা ১৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৯২ সংখ্যক ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। সন্ধিয়া বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ড° বাবুল চন্দ্ৰ দাসে ৰাস মহোৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। কাইলৈ অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে।

**বৰপেটা** জিলাৰ বিভিন্ন স্থানতো আজিৰে পৰা ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। হাউলীৰ ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱ এইবাৰ ১৫ দিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। বৰপেটা ৰোডত ৯৭ সংখ্যক ৰাস মহোৎসৱ ১৮ দিনীয়াকৈ আৰু **মঙলদৈ**ৰ সনাতন ধৰ্ম সভাৰ উদ্যোগত আজিৰে পৰা ১৩ নৱেম্বৰলৈ ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

**গোৱালপাৰা** জিলাৰ বিভিন্ন ঠাইত কালিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। দুধনৈত ১৫ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। **পাঠশালা**তো কালিৰে পৰা ১৫ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। **ধুবুৰী** জিলাৰ বিলাসীপাৰাতো কালিৰে ১৬ দিনীয়া

কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱস্থলীত মৃণ্ময় মূৰ্তিৰে শ্ৰীকৃষ্ণৰ বিভিন্ন লীলা জীৱন্ত ৰূপত দাঙি ধৰা হৈছে। **দৰং** জিলাৰ দীঘিৰপাৰত ১১ দিনীয়াকৈ ৰাসৰ আয়োজন কৰা হৈছে।

**বাক্সা** জিলাৰ পূব খাগ্ৰাবাৰীৰ ৯২ সংখ্যক ৰাস মহোৎসৱ আজিৰে পৰা সাদিনীয়াকৈ অনুষ্ঠিত হৈছে। বিগত বছৰৰ দৰে এইবাৰো খাগ্ৰাবাৰীৰ ৰাস উদযাপন সমিতিয়ে জীৱন্ত ৰাসলীলাৰ গোপী নাচ প্ৰদৰ্শন, শিশু কৃষ্ণ প্ৰতিযোগিতা, ৰাধা-কৃষ্ণৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। জিলাখনৰ গোলাগাঁও, দীঘলডঙা, বৰমা, থমনা, কেশৰ নগৰতো ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

ooooo

শিখ ধৰ্মৰ প্ৰৱৰ্তক গুৰুনানকৰ ৫৫৬ বছৰীয়া জয়ন্তী উপলক্ষে আজি দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো কাৰ্যসূচী অনুষ্ঠিত হৈছে। শিৱসাগৰ গুৰুদ্বাৰত গুৰু নানক জয়ন্তী উপলক্ষে আজি উখল মাখল পৰিবেশে বিৰাজ কৰিছে। এই উপলক্ষে গুৰু গ্ৰন্থ চাহেব পাঠ তথা ভজনেৰে পৰিবেশ মুখৰ হৈ উঠিছে। হোজাই জিলাৰ লংকাত আজি গুৰু নানক জয়ন্তী তথা প্ৰকাশ পৰ্ব উদযাপন কৰা হৈছে। শিখ ধৰ্মাৱলম্বি লোকসকলে পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গুৰু জয়ন্তী পালন কৰিছে। ৮ টা প্ৰভাত ফেৰী আৰু গুৰু গ্ৰন্থ চাহেবৰ অখণ্ড পাঠেৰে আজি এই জয়ন্তী পালন কৰা হয়। ১৫০৫ চনত গুৰু নানকে পদাৰ্পন কৰা ধুবুৰী জিলাতো আজি গুৰু নানক জয়ন্তী পালন কৰা হৈছে। এই উপলক্ষে গুৰুদ্বাৰ, গুৰু তেগবাহাদুৰ চাহেবজীত পবিত্ৰ পৰিবেশে বিৰাজ কৰিছে। বহু লোকে গুৰুদ্বাৰত সমবেত হৈ আৰাধনা কৰাৰ লগতে গুৰু নানকক স্মৰণ কৰে।

ooooo

অহা ৯ নৱেম্বৰত মাছখোৱাৰ লাচিত ঘাটত হ'বলগীয়া ভাৰতীয় বায়ু সেনা দিৱসত ফ্লাই পাষ্টৰ বাবে ৮ আৰু ৯ নৱেম্বৰত গুৱাহাটীত যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু নিষেধাজ্ঞা আৰোপ কৰিছে। বাণিজ্যিক সামগ্ৰী কঢ়িওৱা বাহন তথা অন্য গধুৰ বাহনক এইচ বি ৰোড, এ টি ৰোড, ডি জি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোডত ৮ আৰু ৯ নৱেম্বৰত পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ চলাচলৰ অনুমতি দিয়া নহ'ব। সেই সময়খিনিত ঠেলা, ৰিক্সা আদি বাহনক এম জি ৰোডত মাছখোৱাৰ পৰা মুখ্য ন্যায়াধীশৰ বাংলোলৈকে চলাচল কৰাত বাধা আৰোপ কৰা হৈছে। ভাৰতীয় বায়ু সেনাই জাৰি কৰা আৰু বিতৰণ কৰা অনুমতিপত্ৰ থকা বাহনৰ বাহিৰে আন কোনো বাহন দিনৰ এঘাৰ বজাৰ পৰা বিয়লি ৫ বজালৈ সেই অঞ্চলত চলাচল কৰিব নোৱাৰিব। খানাপাৰাৰ পৰা ভৰলুমুখৰ ফালে অহা সকলো ছিটি বাছ জি এছ ৰোড, এ টি ৰোড, আঠগাওঁ হৈ গৈ পানবজাৰৰ আৰ বি আই হৈ ঘুৰিব নোৱাৰিব। ছিটিবাছৰ বাহিৰে জালুকবাৰীৰ পৰা অহা কোনো গধুৰ বাহন মহানগৰীত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। এইচ বি ৰোডত দুয়োপিনে যান-বাহন চলাচল কৰিব পাৰিব।

ooooo

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁয়ে আজি অসম জাতীয় পৰিষদত আনুষ্ঠানিকভাৱে যোগদান কৰিছে। আজি দিছপুৰৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন কক্ষত আয়োজিত এটা অনুষ্ঠানত শ্ৰী গোহাঁয়ে দলটোত যোগদান

কৰে। এই অনুষ্ঠানত অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে প্ৰবীণ ৰাজনীতিকগৰাকীক আঞ্চলিক দলটোলৈ আদৰণি জনায় আৰু তেওঁৰ যোগদানে দলটোক অধিক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰায় এমাহ পূৰ্বে ভাৰতীয় জনতা পাৰ্টীৰ পৰা পদত্যাগ কৰা ৰাজেন গোহাঁয়ে কয়, যে তেওঁ অধিক উৎসাহেৰে জনসাধাৰণৰ কল্যাণৰ বাবে কাম কৰি যাব। আজিৰ অনুষ্ঠানত আন কেইবাটাও দলৰ কেইবাগৰাকী কৰ্মীয়েও অসম জাতীয় পৰিষদত যোগদান কৰে।

00000

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ অহা ৭ নৱেম্বৰত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত তেওঁ গুৱাহাটীত এটা গুৰুত্বপূৰ্ণ প্ৰকল্প উদ্বোধন কৰাৰ লগতে এখন নতুন ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমতী সীতাৰমণে প্ৰথমে উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু গেটৱে অৱ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি উদ্বোধন কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু পৰিবহণ মন্ত্ৰী চৰণ বড়ো উপস্থিত থাকিব। এই প্ৰকল্পই গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে সেইদিনাই জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰিব।

শ্ৰীমতী সীতাৰমণে ৮ নৱেম্বৰত বিশ্বনাথ জিলাৰ গহপুৰৰ ঐতিহ্যমণ্ডিত ভোলাগুৰি চাহ বাগিচাত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। ৰাজ্যৰ উচ্চশিক্ষা খণ্ডত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে নিৰ্মাণ কৰিবলৈ লোৱা এই বিশ্ববিদ্যালয়খন ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ কৰ্মস্থলী ভোলাগুৰিত ৭৪০ বিঘা ভূমি সামৰি নিৰ্মাণ কৰা হ'ব। বিশ্ববিদ্যালয়খনত পৰম্পৰাগত বিষয়সমূহৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, থ্ৰীডি প্ৰিণ্টিঙকে ধৰি আধুনিক বিষয়সমূহ অন্তৰ্ভুক্ত হ'ব।

00000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৬৯ বছৰীয়া ইতিহাসত বহুকেইগৰাকী সাংবাদিক আৰু সংবাদ কৰ্মীয়ে বিভাগটোলৈ সেৱা আগবঢ়াই গৈছে। জীৱন আৰু জীৱিকাৰ সন্ধানত অথবা সাংসাৰিক প্ৰয়োজনত পৰৱৰ্তী কালত এওঁলোকৰ বহুকেইগৰাকীয়ে আন ক্ষেত্ৰলৈ যাবলগীয়া হ'ল আৰু নিজ নিজ ক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰিবলৈ সমৰ্থ হ'ল। কিন্তু তেওঁলোকে আজিও বুকুত কঢ়িয়াই ফুৰিছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ সুমধুৰ স্মৃতি। এনে কেইগৰাকীমান প্ৰাক্তন সতীৰ্থৰ স্মৃতি ৰোমন্থনেৰে মুখৰিত হ'ব অহা শনিবাৰ ৮ নৱেম্বৰৰ নিশা আকাশবাণীৰ ষ্টুডিঅ'। সেইদিনা নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত তেওঁলোকে ব্যক্ত কৰিব নিজ নিজ অভিজ্ঞতা আৰু উপলব্ধি। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

00000

অসম ক্ৰিকেট সন্থাই অহা ৮ অক্টোবৰত ৰঞ্জী ট্ৰফী প্ৰতিযোগিতাত ত্ৰিপুৰাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'বলগীয়া অসমৰ দলটো ঘোষণা কৰিছে। সন্থাৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰীতম মহন্তই এইকথা প্ৰকাশ কৰা এটা বিবৃতিত

দলটোৰ অধিনায়ক হিচাপে ডেনিচ দাস আৰু উপ অধিনায়ক হিচাপে সুমিত ঘাৰিগাওঁকাৰৰ নাম উল্লেখ কৰিছে। নোৰেল ডেভিদ দলটোৰ মুখ্য প্ৰশিক্ষক আৰু ৰাজীৱ ৰাজবংশী প্ৰশিক্ষক হিচাপে থাকিব।

০০০০০

ঃঃ সমাপ্ত ঃঃ